**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 26-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজিৰ মহাৰাষ্ট্ৰৰ পুনে ভ্ৰমণৰ কাৰ্যসূচী ধাৰাসাৰ বৰষুণৰ বাবে বাতিল কৰা হৈছে।

২। অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ একাংশ অঞ্চলত আফস্পাৰ ম্যাদ পৰৱৰ্তী ছমাহলৈ বৃদ্ধি কৰা হৈছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ছিয়াচেন বেছ কেম্প পৰিদৰ্শন কৰিব।

৪। চাৰিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা ষোড়শ বিত্ত আয়োগৰ দলটোৱে আজি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে।

আৰু

৫। মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ আজি কিদাম্বি শ্ৰীকান্ত আয়ুস ছেট্টীৰ বিৰুদ্ধে আৰু মহিলাৰ ছিংগল্‌ছত ভাৰতৰ তছনিম মীৰ জাপানৰ টমকা মিয়াজাকিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজিৰ মহাৰাষ্ট্ৰৰ পুনে ভ্ৰমণৰ কাৰ্যসূচী ধাৰাসাৰ বৰষুণৰ বাবে বাতিল কৰা হৈছে। উল্লেখযোগ্য যে বতৰ বিজ্ঞান বিভাগে মহাৰাষ্ট্ৰৰ ভালেমান অঞ্চলত পৰৱৰ্তী দুটা দিনত প্ৰবল বৰষুণ আৰু ধুমুহাৰ আগজাননী দি ৰেড এলাৰ্ট জাৰি কৰিছে। আনহাতে, মুম্বাই আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত কালি হোৱা নেৰানেপেৰা বৰষুণৰ বাবে জনজীৱন বিপৰ্যস্ত হৈ পৰে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে আজিৰ নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি প্ৰধানমন্ত্ৰী মোদীয়ে পুনেত ২২ হাজাৰ ৬ কোটি টকাৰো অধিক পৰিমাণৰ পুঁজি ব্যয়সাপেক্ষ ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন কেইবাটাও প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰাৰ কথা আছিল। এই ভ্ৰমণৰ সময়ছোৱাতে প্ৰধানমন্ত্ৰীয়ে পুনেৰ জিলা আদালতৰ পৰা স্বৰগেটলৈ চলিবলগীয়া মেট্ৰ' ৰে'লৰ যাত্ৰাৰো পতাকা জোকাৰি শুভাৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছিল।

০০০০০০০০০

অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ একাংশ অঞ্চলত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন, আফস্পাৰ ম্যাদ অহা ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী ছমাহলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এখন জাননীত এই কথা প্ৰকাশ কৰি কোৱা হৈছে যে অৰুণাচল প্ৰদেশৰ তিনিখন আৰু নাগালেণ্ডৰ ৮খন জিলাকে ধৰি অঞ্চল বিশেষত এই ব্যৱস্থা কাৰ্যকৰী হ'ব। জাননীখনত প্ৰকাশ পোৱা মতে অৰুণাচল প্ৰদেশৰ টিৰাপ, চাংলাং আৰু লংডিং জিলা তিনিখনে সামৰি লোৱা অঞ্চলসমূহৰ লগতে নাম ছাই জিলাৰ অন্তৰ্গত মহাদেৱপুৰ আৰু চৌখাম থানাৰ অন্তৰ্গত এলেকাসমূহক অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰি আফস্পা প্ৰয়োগৰ ব্যৱস্থা কৰা হৈছে।

আনহাতে, নাগালেণ্ডৰ ৮ খন জিলাই সামৰি লোৱা সমগ্ৰ অঞ্চলৰ লগতে আন ছখন জিলাৰ অংশ বিশেষত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ ম্যাদ পুনৰ ছমাহৰ বাবে বৃদ্ধি কৰা হৈছে। এই আইন সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'বলগীয়া জিলাকেইখন হ'ল – ডিমাপুৰ, নিউলেণ্ড, চুম'কেডিমা, মন, কিফিৰে, নক্লাক, ফেক আৰু পেৰেন।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ছিয়াচেন বেছ কেম্প পৰিদৰ্শন কৰিব। এই সময়ছোৱাত ৰাষ্ট্ৰপতিগৰাকী তাত নিয়োজিত ভাৰতীয় সেনা বাহিনীৰ জোৱানসকলৰ সৈতে বাৰ্তালাপ কৰিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ হায়দৰাবাদৰ সমীপৰ বলাৰুমত থকা ৰাষ্ট্ৰপতি নিলয়মত ভাৰতীয় কলা মহোৎসৱৰ উদ্বোধন কৰিব। এই মহোৎসৱৰ অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিম চহকী আৰু বৈচিত্ৰ্যময় সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি উৎসৰ্গা কৰা হৈছে।

ৰাষ্ট্ৰপতি নিলয়মত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰাষ্ট্ৰপতি ভৱনৰ বিষয়া স্বাতী চাহীয়ে কয় যে, ২৯ ছেপ্তেম্বৰৰ পৰা ৬ অক্টোবৰলৈ হ'বলগীয়া এই ভাৰতীয় কলা মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিক সজীৱ ৰূপত তুলি ধৰা হ'ব। মহোৎসৱৰ এই বিশেষ সংস্কৰণটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত সাংস্কৃতিক সমন্বয়ৰ বিশেষ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ ৰাষ্ট্ৰপতিৰ দৃষ্টিভংগীক আগুৱাই নিব বুলি তেওঁ মন্তব্য কৰে।

উত্তৰ-পূব হস্তশিল্প আৰু হস্ততাঁত উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক ব্ৰিগেডিয়াৰ আৰ. কে. সিঙে জনোৱা অনুসৰি এই মহোৎসৱৰ ৪০০ গৰাকী শিল্পী তথা শিপিনীয়ে অংশগ্ৰহণ কৰিব। মহোৎসৱত বিনামূলীয়া প্ৰৱেশৰ বাবে আগ্ৰহী আটাইকে ৰাষ্ট্ৰপতি নিলয়মৰ ৱেবছাইটত পঞ্জীয়ন কৰিবলৈ শ্ৰীচাহীয়ে অনুৰোধ জনাইছে।

ooooo

চাৰিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা যোড়শ বিত্ত আয়োগৰ দলটোৱে আজি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। আয়োগৰ অধ্যক্ষগৰাকীৰ নেতৃত্বত কালি গুৱাহাটীত উপস্থিত হোৱা দলটোৱে বিত্ত আয়োগৰ দ্বাৰা আৱণ্টিত পুঁজিৰে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। আজি বৈঠকত অংশগ্ৰহণ কৰা উচ্চপদস্থ চৰকাৰী বিষয়াসকলে তেওঁলোকৰ সন্মুখত আঁচনি ৰূপায়ণৰ সন্দৰ্ভত পুংখানুপুংখভাৱে ব্যাখ্যা কৰে।

ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ এটা দলে কালি বিত্ত আয়োগৰ দলটোক গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনায়।

ooooooo

উচ্চ ৰক্তচাপ, বহুমূত্ৰ আদিকে ধৰি বিভিন্ন ৰোগৰ ৫৩ বিধ ঔষধ নিৰাপদ নহয় বুলি কেন্দ্ৰীয় ঔষধ মান নিয়ামক সংস্থাই প্ৰকাশ কৰিছে। চি.ডি.এছ.চি.অ' নামৰ ঔষধৰ নিয়ামক সংস্থাই এই কেইবিধ ঔষধ ব্যৱহাৰৰ অযোগ্য বুলি ঘোষণা কৰে। শৰীৰৰ বাবে হানিকাৰক এই ৫৩ বিধ ঔষধ হৈছে কেইবা প্ৰকাৰৰ পেৰাচিটামল, পেন-ডি, শ্বেলকেল, ভিটামিন-ডি কমপ্লেক্স, টেলমিচাৰটেন আদি। উল্লেখযোগ্য যে ৰোগীৰ শৰীৰ বাবে হানিকাৰক এই ৫৩ বিধ ঔষধ দেশত বহুলভাৱে প্ৰচলন হৈ আছিল। বিশেষকৈ হিন্দুস্তান এণ্টিবায়টিক্স লিমিটেড, মেগা লাইফ ছায়েন্সেছ, কিঅ'ৰ হেলথ কেয়াৰ কোম্পানী আদিয়ে প্ৰস্তুত কৰা অধিকাংশ ঔষধে মান নিৰূপণ পৰীক্ষাত ব্যৰ্থ হৈছে।

ooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি পৰ্যন্ত অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন অঞ্চলত মুষলধাৰ বৰষুণৰ আগজাননী জাৰি কৰিছে। বিভাগে জাৰি কৰা আগলি বতৰা অনুসৰি নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, পশ্চিম মধ্যপ্ৰদেশ, গোৱা, মধ্য মহাৰাষ্ট্ৰ, ছিকিম আদি অঞ্চলত কাইলৈ পৰ্যন্ত ধাৰাযাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিভাগে অহা ৭ দিনৰ ভিতৰত কেৰালা, লাক্ষাদ্বীপ, কৰ্ণাটকৰ দক্ষিণ আভ্যন্তৰীন অঞ্চল, অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চল আৰু য়ানামত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই

গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে কাইলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

মাকাউ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ আজি কিদাম্বি শ্ৰীকান্ত আয়ুস ছেট্টীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ৰাউণ্ড অফ ছিক্সটিন পৰ্যায়ৰ এই খেলখন কিছুসময়ৰ পাছতে অনুষ্ঠিত হ'ব। আনহাতে, এই প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছ্ শাখাত অংশগ্ৰহণ কৰা খেলুৱৈ ভাৰতৰ তছনিম মীৰে বিশ্বৰ চতুৰ্থ বাছনিৰ খেলুৱৈ জাপানৰ টম'কা মিয়াজাকিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে মহিলাৰ ডাবল্‌ছ শাখাৰ ৰাউণ্ড অৱ ছিক্সটিন পৰ্যায়ৰ এখন খেলত আজি ভাৰতৰ তৃতীয় বাছনিৰ যুটি গায়ত্ৰী গোপীচান্দ আৰু তৃষা জলী টাইৱানৰ লীন চি চুন আৰু টেং চুন ছুনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰ নিউয়ৰ্কত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ ৭৯ সংখ্যক সাধাৰণ সভাত অংশগ্ৰহণ কৰাৰ মাজতে যোৱানিশা ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গেই লেভৰভৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড° জয়শংকৰে কয় যে বৈঠকৰ সময়ত তেওঁ ৰাছিয়াৰ বিদেশ মন্ত্ৰীগৰাকীৰ সৈতে দ্বিপাক্ষিক সহযোগিতা আৰু বিভিন্ন আঞ্চলিক বিষয় লৈ আলোচনা কৰে। ড° জয়শংকৰে নিউজিলেণ্ডৰ বিদেশ মন্ত্ৰী উইনষ্টন পিটাৰ্ছকো সাক্ষাৎ কৰে। তেওঁ লগতে বেলজিয়ামৰ প্ৰধানমন্ত্ৰী আলেকজেণ্ডাৰ ডি ক্ৰুককো সাক্ষাৎ কৰে আৰু উৎপাদন আৰু প্ৰযুক্তি সহযোগিতাৰ লগতে ইউক্ৰেইনৰ পৰিস্থিতি সন্দৰ্ভত মত বিনিময় কৰে। বিদেশমন্ত্ৰীগৰাকীয়ে গ্ৰীচৰ বিদেশ মন্ত্ৰী জিঅ'ৰগছ্ গেৰাপেট্ৰিটিছৰ সৈতেও শক্তি, যোগাযোগ তথা প্ৰতিৰক্ষাকে ধৰি বিভিন্ন বিষয় লৈ বাৰ্তালাপ কৰে। ড° জয়শংকৰে ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লামিৰ সৈতেও বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে উভয় দেশৰ সৰ্বাত্মক কৌশলগত সহযোগিতা ত্বৰান্বিত কৰাৰ সন্দৰ্ভত আলোচনা কৰে।

সাধাৰণ সভাৰ আপাহতে বিদেশ মন্ত্ৰীগৰাকীয়ে বিভিন্ন দেশৰ প্ৰতিনিধি আৰু কূটনীতিবিদক সাক্ষাৎ কৰে। ইয়াৰ ভিতৰত কাজাখস্তানৰ বিদেশ মন্ত্ৰী নাৰ্টলেউ আৰু মৰক্কোৰ বিদেশমন্ত্ৰী নাছেৰ বৌৰিতা অন্যতম।

ooooo

দিল্লীত অনুষ্ঠিত ২১ সংখ্যক HCL আন্তঃৰাষ্ট্ৰীয় ব্ৰীজ প্ৰতিযোগিতাত অসমৰ হেমন্ত কুমাৰ শৰ্মা আৰু মৃদুল দাসে ৰানাৰ্ছ আপ দখল কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৱা ১৪ ছেপ্তেম্বৰৰ পৰা অনুষ্ঠিত এই প্ৰতিযোগিতাত জেকেল্‌ছ টিমিঙৰ হৈ অংশগ্ৰহণ কৰা গুৱাহাটীৰ খেলুৱৈ দুগৰাকীয়ে এই সাফল্য অৰ্জন কৰে।

আনহাতে, অসমৰে আন দুগৰাকী খেলুৱৈ জয়দীপ ভট্টাচাৰ্য আৰু নাণ্টু ভট্টাচাৰ্যই আই এম পি যুটী শাখাত তৃতীয় স্থান অধিকাৰ কৰে। ভিন ভিন দেশৰ সৰ্বমুঠ ১৪৪ টা দলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত অসমৰ পৰা চাৰিটা দলে ভাগ লৈছিল। উল্লেখযোগ্য যে এইবাৰৰ প্ৰতিযোগিতাত অসমৰ খেলুৱৈসকলৰ প্ৰদৰ্শন বৰ্তমানলৈ সৰ্বশ্ৰেষ্ঠ হিচাপে পৰিগণিত হৈছে। ২০১৮ বৰ্ষৰ এছিয়ান গেমছৰ পদক বিজেতা কিৰণ নাডাৰে প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণ কৰে।

ooooooooo

সমাপ্ত